**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ লগতে নাণ্ডেড় লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰত মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, একনাথ সিন্দে পন্থী শিৱসেনাই ৮১টা সমষ্টিত আৰু অজিত পাৱাৰ নেতৃত্বাধীন এন চি পিয়ে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু শাৰদ পাৱাৰ নেতৃত্বাধীন শিৱসেনাই ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে। বহুজন সমাজ পাৰ্টিৰ ২৩৭ গৰাকী আৰু এ আই এম আই এমৰ ১৭ জন প্ৰাৰ্থীৰ ভাগ্যও কাইলৈৰ ভোটগ্ৰহণত নিশ্চিত হ'ব। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত কাইলৈ ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত উন্নত হ'ব নে নাই সেই বিষয়ে ৰাজনৈতিক মহলত চিন্তা-চৰ্চা চলিছে।

oooooo

চৰাইদেউ মৈদামথলীত আজি বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ আৰম্ভ হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সহযোগত অনুষ্ঠিত কাৰ্যসূচী অনুসৰি আজি পুৱা বালি মৈদামৰ পৰা চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্যক্ষেত্ৰলৈ এটা ঐতিহ্য যাত্ৰা উলিওৱা হয়। স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াত অংশগ্ৰহণ কৰে। মূল অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

ooooooo

বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত তিনিচুকীয়া জিলাৰ কাকজানত দুদিনীয়া কাৰ্যসূচীৰে ৰাঘৱ মৰাণ দিৱস উদযাপন কৰা হৈছে। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে কাকজানৰ ৰজা বড়োচা সমন্বয় ক্ষেত্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মৰাণ বীৰগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁ মৰাণ সংগঠনৰ নেতৃবৃন্দ আৰু ৰাইজৰ সৈতেও মত বিনিময় কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি চিত্ৰাংকন, কবিতা আবৃত্তি, বিহুগীত, কুইজ, তৰ্ক, বিয়ানাম আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ হ'বলগীয়া মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ কথা।

ইপিনে, তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি ডাইচাতো এই দিৱস আজি বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত আয়োজিত এই দিৱসত পুৱা পতাকা উত্তোলন আৰু সতীৰ্থ স্মৰণ অনুষ্ঠান অনুষ্ঠিত হয়। বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত ২৮৯ গচি বন্তিও প্ৰজ্বলন কৰা হয়। দিনৰ ভাগত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে মুকলি সভা অনুষ্ঠিত হয়।

ooooooo

লখিমপুৰত মথাউৰি পথৰ ওপৰেৰে গধুৰ যান-বাহন চলাচলৰ পৰিপ্ৰেক্ষিতত মথাউৰিসমূহ দুৰ্বল হোৱাৰ আশংকা কৰি জিলা প্ৰশাসনে কেইবাটাও নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা দণ্ডাধীশ লাচিত কুমাৰ দাসে নিৰ্দেশনাৰ জৰিয়তে মথাউৰিসমূহৰ ওপৰত বাণিজ্যিক বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰে। অৱশ্যে ব্যক্তিগত বাহন, যাত্ৰীবাহী বাছ আদি চলাচলৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তাৎক্ষণিকভাৱে এই নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে। এই আদেশ উলংঘা কৰিলে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০০

যোৰহাট জিলা আৰক্ষীৰ উদ্যোগত চলিত শিশু সপ্তাহ উদযাপনৰ অংশ হিচাপে আজি যোৰহাট আৰু তিতাবৰত শিশু-কন্যাসকলৰ সৈতে অন্তৰংগ আলোচনা অনুষ্ঠিত হয়। এই অনুষ্ঠানত শিশুৰ কল্যাণ আৰু সুৰক্ষা সম্পৰ্কীয় আইনসমূহৰ ওপৰত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। ইয়াৰ লগতে আলোচনাত অংশ লোৱা সমল ব্যক্তিসকলে বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আজি জেংৰাই গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত এখন আইন সজাগতা সভা অনুষ্ঠিত হয়। সভাত বাল্যবিবাহ প্ৰতিৰোধী আইন, শিশু যৌন নিৰ্যাতন সুৰক্ষা আইন, শিশু শ্ৰমিক প্ৰতিৰোধী আইন সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়।

০০০০০০

দক্ষিণ শালমাৰা-মানকাচৰ জিলা আৰু ছেচন আদালতে ২০২১ চনত সংঘটিত দুজন যুৱকৰ হত্যাকাণ্ডৰ গোচৰত ১৪ জন লোকক দোষী সাব্যস্ত কৰিছে। ন্যায়াধীশ সঞ্জয় হাজৰিকাই আজি দিয়া এই ৰায়যোগে ২০২১ চনৰ ১৩ মে'ত সংঘটিত পিতা আৰু পুত্ৰৰ এই হত্যাকাণ্ড সন্দৰ্ভত ১৪ জন অভিযুক্তক দোষী সাব্যস্ত কৰে আৰু শাস্তি ঘোষণা ২১ নৱেম্বৰলৈ স্থগিত ৰাখে।

০০০০০০০

**সমাপ্ত**